# Fibromyalgia
# ফাইব্ৰ’মায়েলজিয়া

**IRA Committee on patient Education**
**ভাৰতীয় ৰিউমেটল’জী সন্থাৰ ৰোগী শিক্ষা সমিতি**

*Assamese Translation by:*
**Prof. Sanjeeb Kakati**
Deptt. of Medicine, Assam Medical College, Dibrugarh

*অসমীয়া অনুবাদ ঃ*
**ডাঃ সঞ্জীৱ কাকতি**
অধ্যাপক, মেডিচিন বিভাগ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়

### ফাইব্ৰ’মায়েলজিয়া (FA) কি?

ফাইব্ৰ’মায়েলজিয়া হ’ল এবিধ ৰোগ অথবা উপসৰ্গ যাৰ বৈশিষ্ট হ’ল বিষ আৰু ক্লান্তি।

### ফাইব্ৰ’মায়েলজিয়াৰ কাৰণ?

ফাইব্ৰ’মায়েলজিয়াৰ সথিক কাৰণ জনা হোৱা নাই। ই বহুতো কাৰকৰ সংযোজনৰ বাবে হোৱা বুলি ভবা গৈছে। ই বংশানুক্ৰমিক হ’ব পাৰে। পাৰিপাৰ্শ্বিক কাৰণো অন্তৰ্ভুক্ত হৈ আছে। বীজাণুৰ সংক্ৰমণ (infections), অত্যাধিক মানসিক আৰু শাৰীৰিক চাপ, হতাশা ইত্যাদিয়ে আৰম্ভণিতে ৰোগৰ সৃষ্টিত অৰিহণা যোগায়।

### ফাইব্ৰ’মায়েলজিয়া সাৰ্বজনীন নে?

এই ৰোগ খুবেই সাৰ্বজনীন। বিশ্বত তিনি শতাংশ পৰ্যন্ত লোক এই ৰোগত ভুগিছে। এই ৰোগ সবাতোকৈ বেছিকৈ দেখা পোৱা যায় জীৱনৰ চতুৰ্থ দশকৰ আশে-পাশে।

### ফাইব্ৰ’মায়েলজিয়া ৰোগ নিৰ্ণয় কেনেকৈ কৰা হয় ঃ

মধুমেহ ৰোগৰ যিদৰে তেজত গ্লোক’জৰ মাত্ৰা (blood sugar) পৰীক্ষা কৰি ৰোগ নিৰ্ণয় কৰা হয়, ফাইব্ৰ’মায়েলজিয়াত এনে কোনো এটা বিশেষ পৰীক্ষা ৰোগ নিৰ্ণয়ৰ বাবে নাই। ইয়াৰ ৰোগ নিৰ্ণয় কৰা হয় লক্ষণ আৰু শাৰীৰিক পৰীক্ষাৰ ভিত্তিত। দেহৰ দুয়োপিনে বিস্তৃত ৰূপ ধাৰণ কৰা বিষেই হ’ল ফাইব্ৰ’মায়েলজিয়াৰ চিন। ডিঙি আৰু পিঠিৰ বিষেই হ’ল সাধাৰণতে দেখা পোৱা লক্ষণ। অত্যন্ত ভাগৰ লগা, পুৱাতে গাঁঠি ঠৰঙা লগা, নিদ্ৰাই সতেজতাৰ সৃষ্টি কৰিব নোৱাৰা, হাত-ভৰিৰ গাঁঠি ফুলা ভাব হোৱা, অৱশ হোৱা আদিও ইয়াৰ সাধাৰণ লক্ষণ। আদ’কপালী (মাগ্ৰেন-Migraine)ৰ দৰে মূৰৰ বিষ, পেটৰ অসুখৰ লক্ষণ, যেনে- পেট ফুলা, বুকু জ্বলা-পোৰা কৰা, খাদ্য গ্ৰহণৰ পাছত সঘনাই শৌচাগাৰলৈ যোৱা (irritable bowel syndrome) আৰু ঘনে ঘনে প্ৰসাৱ লগা (irritable bladder) — হ’ল ইয়াৰ লগত জড়িত অন্যান্য লক্ষণ। চিকিৎসকে পৰীক্ষা কৰাৰ সময়ত শৰীৰৰ কিছু বিশেষ অংশত হেঁচা প্ৰয়োগ কৰি বিষ হোৱাৰলৈ লক্ষ্য কৰাতো এই ৰোগ নিৰ্ণয়ৰ অন্য এক কৌশল।

পূৰ্বে উল্লেখ কৰাৰ দৰে ফাইব্ৰ’মায়েলজিয়াৰ ৰোগ নিৰ্ণয়ৰ বাবে কোনো বিশেষ লেবৰেটৰী পৰীক্ষা নাই। বহু ৰোগীৰ ক্ষেত্ৰত ফাইব্ৰ’মায়েলজিয়াৰ ৰোগ নিৰ্ণয় হোৱাৰ পূৰ্বে অন্যান্য ৰোগত আক্ৰান্ত হোৱা বুলি সন্দেহ কৰি বিস্তাৰিতৰূপে পৰীক্ষা-নিৰীক্ষা কৰি চোৱা হয়। কেৱল অভিজ্ঞ চিকিৎসকেহে এই ৰোগক আথ্ৰাৰাইটিছ বা অন্যান্য ৰোগৰ সৈতে পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব।

### সাম্প্ৰতিক গৱেষণাই কি কয়?

বৰ্তমানে দেখা গৈছে যে ফাইব্ৰ’মায়েলজিয়া এবিধ ৰোগ য’ত বিষ অনুভৱ কৰা শক্তিৰ তাৰতম্য হয় আৰু